# নিয়ৰৰে ফুল এপাহ ফুলিল

নিয়ৰৰে ফুল এপাহ ফুলিল
এপাহ সৰিল কেনি?
যেনি যায় বলাকাই মেঘ কাগজত
নেদেখা ৰেখা টানি।।

আইনুজনীৰ চকুৰ মণিত
দিনৰ পাহাৰ নাচিছিল।
সেই পাহাৰেই ৰাতিৰ মায়াত
আকাশ হৈ পৰিছিল।।
অন্ধকাৰৰ এটোপাল মম
গান হৈ সৰি পৰিছিল
শব্দময়ী
পৰীৰ ৰাণী উৰি আহিছিল
গণি গণি
তৰাৰ মালাৰ মণি।।

সেই কণ্ঠমণিৰ
গুণগুণনি
সৰি পৰি বনৰ নিয়ৰ হ'ল
এপাহ ফুলিল, এপাহ সৰিল কেনি?

(ভূপেন হাজৰিকাৰ বাবে বিশেষভাৱে লিখিত গান বুলিয়েই ক'ব পাৰি। গানটো তেখেতক দি মই কৈছিলোঁ, গান এটা দিলে ছোৱালী এজনী উলিয়াই দিয়া যেন লাগে। উত্তৰত কৈছিল— ভয় নকৰিব, মই দূৰৈকৈ পুখুৰী খন্দাই নিদিওঁ।)